# থিচলনীকীয়া বিলাকৰ প্ৰতি দ্বিতীয় পত্ৰ

১ ১পৌল, চীল আৰু তীমথিয় পৰা আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভূ যীচু খ্ৰীষ্টত থকা থিচলনীয়া বিলাকৰ মণ্ডলীৰ নামত:

২তোমালোকলৈ পৰম পিতা পৰমেশ্বৰ আৰু প্ৰভূ যীচু খ্ৰীষ্টৰ পৰা অনুগ্ৰহ আৰু শান্তি হওক।

৩হে ভাইসকল, তোমালোকৰ বাবে আমি সদায় ধন্যবাদ কৰিব লাগে, এইদৰে কৰা আমাৰ উচিত কৰ্তব্য। কিয়নো তোমালোকৰ বিশ্বাস আচৰ্য্যৰূপে বিকাশ হৈ গৈ আছে আৰু তোমালোকৰ পৰস্পৰৰ মাজত প্ৰেমও বৃদ্ধি পাই আছে। ৪সেইবাবে ঈশ্বৰৰ মণ্ডলীবিলাকত মই স্বয়ং তোমালোকৰ হৈ গৌৰৱ কৰো। তোমালোকৰ তাড়না বিলাকৰ মাজত তথা ক্লেশ ধৈৰ্য্য সহকাৰে সহন কৰি তোমালোকৰ বিশ্বাসক প্ৰকাশ কৰি আছাহঁক।

### পৌলৰ ধন্যবাদ আৰু ঈশ্বৰৰ ন্যায় বিচাৰ

৫এইটোৱে সেই স্পষ্ট প্ৰমাণ কৰে যে ঈশ্বৰে ন্যায় বিচাৰ কৰে। তেওঁৰ উদ্দেশ্য এইটোৱেই যে তোমালোকে ঈশ্বৰৰ মাজত প্ৰৱেশ কৰিবলৈ যোগ্যৱান হোৱা। সেইবাবে এতিয়া তোমালোকে ক্লেশ সহন কৰি আছা। ৬তোমালোকক যি বিলাকে দুখ দি আছে, তাৰ সলনি তেওঁবিলাকক দুখ দিয়াটো ঈশ্বৰৰ ন্যায়ৱান কাৰ্য্য। ৭তোমালোকে যি ক্লেশ সহন কৰি আছা, তোমালোকক আমাৰ সৈতে সেই সময়ত বিশ্ৰাম দিয়া হব যেতিয়া প্ৰভূ যীচু তেওঁৰ পৰাক্ৰম সাধক দুত সকলৰ সৈতে স্বৰ্গৰ পৰা ৮জ্বলন্ত অগ্নিত প্ৰকাশিত হব। আৰু যি বিলাকে ঈশ্বৰক নাজানে তথা যীচু খ্ৰীষ্টৰ শুভবাৰ্তা অনুসৰি নচলে তেওঁবিলাকক দণ্ড দিয়া হ'ব। ৯তেওঁবিলাকক অনন্ত দণ্ড দিয়া হ'ব আৰু তেওঁবিলাকক প্ৰভূ তথা তেওঁৰ মহিমাপূৰ্ণ শক্তিৰ ওচৰৰ পৰা দূৰ কৰা হ'ব। ১০তেতিয়া তেওঁ নিজৰ পবিত্ৰ সকলৰ মাজত মহিমা মণ্ডিত হব আৰু সকলো বিশ্বাসীবিলাকৰ বাবে গৌৰৱৰ কাৰণ হব। সেই সকলৰ মাজত তোমালোকো সহভাগী হবা কিয়নো আমি তেওঁৰ বিষয়ে যি সাক্ষ্য দিছিলো তাত তোমালোকে বিশ্বাস কৰিছিলা। ১১সেইবাবে আমি তোমালোকৰ বাবে সদায় প্ৰাৰ্থনা কৰি আছো যাতে আমাৰ ঈশ্বৰে তোমাকক সেই জীৱনৰ বাবে যোগ্য কৰে, যি জীৱন পাবলৈ তোমালোকক আমন্ত্ৰণ কৰিলো। আৰু তেওঁ যেন তোমালাকৰ প্ৰতিটো উত্তম ইচ্ছাক শক্তিশালী ৰূপে পৰিপূৰ্ণ কৰে আৰু তোমালোকৰ বিশ্বাসৰ পৰিনাম স্বৰূপ প্ৰতিটো কামত তেওঁ সফলতা প্ৰদান কৰে। ১২সেইদৰে তোমালোকৰ দ্বাৰা আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ নাম আদৰণীয় হব। আৰু তেওঁৰ দ্বাৰা তোমালোক আদৰণীয় হবা। এই সকলোবিলাক আমাৰ ঈশ্বৰ আৰু প্ৰভূ যীচু খ্ৰীষ্টৰ অনুগ্ৰহেৰে হ'ব।

### প্ৰভূ অহাৰ আগেৰে আচৰিত ঘটনা ঘটিব –

২ ১হে ভাইসকল, এতিয়া আমি প্ৰভূ যীচু খ্ৰীষ্টৰ পুনৰাগমন আৰু তেওঁৰ লগত আমাৰ পৰস্পৰৰ একত্ৰিত হোৱাৰ বিষয়ে নিবেদন কৰো। ২যে তোমালোকে তৎক্ষণাত নিজৰ বিষয়ে কোনো ভৱিষ্যৎবাণী, কোনো উপদেশ অথবা আমি লিখা বুলি কোৱা কোনো পত্ৰ বুলি কোৱা কথাত ভূল নাযাব, আৰু প্ৰভূৰ দিন উপস্থিত হল বুলি কোৱা তথা-কথিত তেনে কোনো কথাত তোমালোকৰ মন অস্থিৰ হবলৈ নিদিব। ৩তোমালোকে নিজকে কাকো ভুলাবলৈ নিদিবা। মই এই বাবে ইয়াক কৈছো কিয়নো সেই দিন অহাৰ আগেয়ে সেই ধৰ্ম পৰিত্যাগ উপস্থিত হব আৰু বিনাশৰ পাত্ৰ সেই পাপ পুৰুষ প্ৰকাশিত হব। ৪সি পাত্ৰতকৈ নিজকে ওখ কৰে। এনেকি সি ঈশ্বৰৰ মন্দিৰত গৈ বহি দাবী কৰিব যে সিয়েই ঈশ্বৰ। ৫মই তোমালোকৰ তাত যেতিয়া আছিলো তেতিয়া এই সকলো কথা তোমালোকক কৈছিলো সেই কথা তোমালোকৰ মনত নাই নে? ৬আৰু এতিয়া তোমালোকে ইয়াক জানিলা যে তাৰ নিৰূপিত কালত প্ৰকাশিত হবলৈ তাক কিহে নিবাৰণ কৰিছে কিয়নো উচিত সময় আহিলেহে সি প্ৰকাশ পাব। ৭মই এইবাবে ইয়াকে কৈছো কিয়নো ব্যৱস্থাহীনতাৰ সেই ৰহস্যময় শক্তিৰে এতিয়াও কাৰ্য্য কৰি আছে। এতিয়া তাক নিবাৰণ কৰি আছে, আৰু যেতিয়া সেই নিবাৰণকৰ্তাক ৰাস্তাৰ পৰা আঁতৰোৱা। ৮তেতিয়াহে সেই ব্যৱস্থাহীন জন প্ৰকাশিত হব, যেতিয়া প্ৰভূ যীচু নিজৰ মহিমাৰে প্ৰকাশিত হব। ৯সেই ব্যৱস্হাহীনৰ আগমন চয়তানৰ শক্তিৰে হব আৰু সি বহুত ডাঙৰ শক্তি, চিন আৰু আচৰিত কৰ্ম। ১০তথা সকলো প্ৰকাৰৰ পাপপূৰ্ণ প্ৰবঞ্চনাৰে পৰিপূৰ্ণ হব। সিহঁত নাশ হব কিয়নো সিহঁতে সত্যক প্ৰেম নকৰিলে, কেতিয়াও সিহঁতে উদ্ধাৰ নাপাব। ১১সিহঁতে যেন সত্যতাত বিশ্বাস নকৰি অধৰ্মতে সন্তুষ্ট হয় তাৰ বাবে ঈশ্বৰে তেওঁবিলাকলৈ ভ্ৰান্তিৰ কাৰ্য্য সাধন পথই দিয়ে। ১২তাতে যিবিলাকে সত্যক বিশ্বাস নকৰি মিছাত আনন্দিত হৈ আছে সিহঁত সকলোৱে দণ্ড পাব।

### তোমালোক উদ্ধাৰৰ বাবে আমন্ত্ৰিত হলা

১৩প্ৰভূত প্ৰিয় ভাই সকল, তোমালোকৰ বাবে সদায় ঈশ্বৰক ধন্যবাদ দিয়াটো আমাৰ কৰ্তব্য, কিয়নো ঈশ্বৰে আত্মাৰ দ্বাৰাই তোমালোকক পবিত্ৰ কৰি আৰু সত্যতাত

বিশ্বাস কৰাৰ কাৰণে উদ্ধাৰ পাবলৈ তোমালোকক
আমন্ত্ৰণ[a] কৰিলে। তোমালোক আদিৰে পৰা পৰিত্ৰাণৰ
নিমিত্তে মনোনীত লোক। [14]আমি তোমালোকক দিছিলো
তাৰ দ্বাৰা ঈশ্বৰে তোমালোকক আমন্ত্ৰণ কৰিলে যাতে
তোমালোকেও আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ মহিমাক ধাৰণ
কৰিব পাৰা। [15]সেইয়ে হে ভাই সকল থিৰে থাকা আৰু
যি উপদেশ আমাৰ কথাৰ বা পত্ৰৰ দ্বাৰাই দিয়া গ'ল, সেই
সকলোকে ধৰি ৰাখা। [16]এতিয়া আমাৰ প্ৰভূ যীচু খ্ৰীষ্টে নিজে
আৰু আমাৰ পৰম পিতা পৰমেশ্বৰে, যিজনে আমাৰ ওপৰত
নিজৰ প্ৰেম দৰ্শাই আছে আৰু আমাক পৰম আনন্দ প্ৰদান
কৰিছে। [17]সেই পিতৃ ঈশ্বৰে তোমালোকৰ হৃদয়ত আনন্দ
দিয়ক আৰু সকলো সৎকৰ্মত আৰু সদবাক্যত তোমালোক
সুস্থিৰ কৰক।

## আমাৰ বাবে প্ৰাৰ্থনা কৰিবা

৩ [1]হে ভাইসকল, তোমালোকক আৰু কিছু কথা
আমাৰ কবলগীয়া আছে। আমাৰ বাবে প্ৰাৰ্থনা কৰিবা
যাতে প্ৰভূৰ বাক্য তোমালোকৰ মাজত হোৱাৰ দৰে
দ্ৰুতগতিত প্ৰচাৰিত হয় আৰু মহিমান্দিত হয়। [2]প্ৰাৰ্থনা
কৰিবা যাতে আমি দুৰাচাৰী আৰু দুষ্ট লোকৰ পৰা আঁতৰ
হৈ থাকিব পাৰো। (কিয়নো সকলো লোকৰ প্ৰভূত বিশ্বাস
আছে এনে নহয়।)
[3]কিন্তু প্ৰভূ বিশ্বাসী। তেওঁ তোমালোকৰ শক্তি বৃদ্ধি
কৰিব আৰু তোমালোকক সেই দুষ্টলোকৰ পৰা ৰক্ষা কৰিব।
[4]প্ৰভূত তোমালোকৰ প্ৰতি আমাৰ দৃঢ় প্ৰত্যয় আছে। আৰু
তোমালোকে পালন কৰিছা আৰু কৰি থাকিবা বুলি আমাৰ
নিশ্চয়তা আছে। [5]প্ৰভূৱে তোমালোকৰ হৃদয়ক ঈশ্বৰৰ
প্ৰেম আৰু খ্ৰীষ্টৰ ধৈৰ্য্যৰূপ পথত আৰু আগুৱাই নিয়ক।

## কৰ্মৰ অনিবাৰ্য্যতা

[6]ভাইসকল, এতিয়া আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ নামেৰে এই
আদেশ দিছো যে সেইসকল ভাইৰ পৰা দূৰ হোৱা যি
সকলে অনিয়মকৈ চলে আৰু আমি দিয়া শিক্ষা অনুসাৰে
নচলে। [7]মই এইবোৰ কথা এই কাৰণে কৈছো কিয়নো
তোমালোকে কেনেকৈ আমাৰ অনুকাৰী হব লাগে তাক
নিজে জানা কাৰণ তোমামোকৰ মাজত আমি অনিয়মকৈ
চলা নাই। [8]আমি বিনামূল্যে কাৰো পৰা আহাৰ গ্ৰহণ কৰা
নাই, কিন্তু তোমালোক কাৰো ওপৰত বোজা নহবলৈ,
দিনে-ৰাতিয়ে পৰিশ্ৰম আৰু মেহনত কৰিলো। [9]এনেকুৱা
নহয় যে তোমালোকৰ পৰা সহায় লবলৈ আমাৰ কোনো
অধিকাৰ নাই, কিন্তু এই কাৰণেই মেহনত কৰিলো
যাতে তোমালোক আমাৰ অনুকাৰী হোৱা। [10]সেই বাবে
আমি যেতিয়া তোমালোকৰ লগত আছিলো তেতিয়া
তোমালোকক এই আদেশ দিছিলো। 'যদি কোনোৱে
কাম কৰিবলৈ নিবিচাৰে তেন্তে তেওঁ আহাৰো নাখাওক।'
[11]আমি শুনিবলৈ পাইছো যে তোমালোকৰ মাজত কোনে
কোনোৱে অনিয়মকৈ চলে। তেওঁলোকে কোনো কাম
নকৰি অনৰ্থক চৰ্চ্চা কৰি ঘুৰি ফুৰে। [12]এনে লোকক আমি
যীচু খ্ৰীষ্টৰ নামত বুজনি দি আদেশ দিছো যাতে তেওঁলোকে
শান্তিৰে সৈতে নিজ কাম কৰক আৰু নিজৰ উৎপাৰ্জনেৰে
ভোজন কৰক। [13]কিন্তু হে ভাইসকল তোমালোকে হলে,
সৎকৰ্ম কৰি নিৰুৎসাহ নহবা। [14]এই পত্ৰৰ মাধ্যমেৰে দিয়া
আমাৰ আদেশ দৰে যদি কোনোৱে নচলে তেন্তে সেই
ব্যক্তিৰ ওপৰত নজৰ ৰাখিবা, [15]আৰু তেওঁৰ লগত শত্ৰুৰ
দৰে ব্যৱহাৰ নকৰিবা, কিন্তু ভাই বুলি তেওঁক চেতনা দিবা।

## পত্ৰৰ সামৰণি

[16]এতিয়া শান্তিৰে প্ৰভূৱে নিজে সকলো সময়ত, সকলো
প্ৰকাৰে শান্তি দিয়ক। প্ৰভূ তোমালোক সকলোৰে লগত
থাকক। [17]মই পৌলে নিজ হাতে এই পত্ৰ লিখি মঙ্গলবাদ
কৰিলো। এইদৰে সকলো পত্ৰত মই স্বাক্ষৰ কৰো। মোৰ
লিখনিৰ এইয়ে চিন। [18]আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ অনুগ্ৰহ
তোমালোক সকলোৰে লগত থাকক।

[a] **২:১৩ তোমালোকক কৰিলে** কিছুমান যিহুদী পত্ৰত 'আদিৰে পৰা' বুলি উল্লেখ আছে।